**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গোলাঘাট জিলা কৃষি আৰু ৰাজহ বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনৰ প্ৰতিটো কৃষি উন্নয়ন চক্ৰৰ গাঁওসমূহত **কৃষি ৰাজহ আদালত**ৰ আয়োজন কৰা হৈছে। জিলাখনৰ মুঠ ৬১ খন গাঁও সামৰি আয়োজন কৰা কৃষি ৰাজহ আদালতে বিশেষকৈ ভূমিৰ নামজাৰি সম্পৰ্কীয় সমস্যাৰ তৎকালীন সমাধান কৰি কৃষক পঞ্জীয়ন সুনিশ্চিত কৰাৰ বাবে কৃষক ৰাইজক সহায় কৰিব। সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে গোলাঘাট জিলাত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া দ্ৰুতগতিত আগবঢ়াই নিয়াৰ বাবে কৃষি তথা ৰাজহ বিভাগৰ যৌথ সহযোগত এই পদক্ষেপ লোৱা হৈছে। জিলাখনত বৰ্তমানলৈ ৩৭ হাজাৰ ৪৯২ গৰাকী কৃষকে কৃষক পঞ্জীয়ন প'ৰ্টেলত নিজৰ নাম পঞ্জীয়ন কৰাবলৈ সমৰ্থ হৈছে।

oooo

কেন্দ্ৰীয় চৰকাৰে বিগদত বৰ্ষৰ দৰে এইবাৰো সমগ্ৰ দেশৰ কৃষিভূমিৰ জৰীপ চলাবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে যোৰহাট জিলাত জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ উদ্যোগত ১৬ আগষ্টৰ পৰা ডিজিটেল শস্য জৰীপ, খাৰিফ-২০২৫ আৰম্ভ হৈছে। ইয়াৰ অধীনত আজি উত্তৰ-পশ্চিম যোৰহাটত জৰীপ চলোৱা হয়।

ডিজিটেল শস্য জৰীপ খাৰিফ-২০২৫ৰ জৰিয়তে কৃষকসকলৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্যে প্ৰযুক্তি ব্যৱস্থাৰ জৰিয়তে কৰা কৃষিজাত শস্যৰ তথ্য সংগ্ৰহৰ দিহা কৰা হৈছে। শস্য উৎপাদনৰ সঠিক তথ্যৰ পূৰ্বানুমান আৰু উন্নত পৰিকল্পনা, সংগৃহীত তথ্যৰ ভিত্তিত কৃষি নীতি প্ৰস্তুত কৰা জলসিঞ্চন আৰু শস্য উৎপাদন সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত গ্ৰহণত এই জৰীপ ব্যৱস্থাই সহায় কৰিব।

oooo

বিশ্বনাথ জিলাৰ চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা ৪৩৩টা পৰিয়াললৈ জিলা প্ৰশাসনে উচ্ছেদৰ জাননী জাৰি কৰিছে। পৰিয়ালকেইটাক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ কোৱা হৈছে। বিহালী সমষ্টিৰ নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ২৬৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব।

নগাঁও জিলাৰ জুৰিয়াত অহা ২৩ আগষ্টৰ পৰা উচ্ছেদ অভিযান চলিব। জেঙনি আৰু বলিকটীয়াত প্ৰশাসনে উচ্ছেদ চলাব। উল্লেখযোগ্য যে ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰিছিল।

oooo

ৰাজ্যৰ ১৮ বছৰ ঊৰ্ধৰ লোকসকলক অক্টোবৰৰ পৰা নতুনকৈ আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব। কইনাধৰাত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদমেলযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অনুসূচিত জাতি-জনজাতি আৰু চাহ জনগোষ্ঠীৰ লোকসকলক এই ক্ষেত্ৰত এবছৰৰ বাবে শিথিলতা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আধাৰকাৰ্ড নথকা লোকসকলক ছেপ্তেম্বৰৰ ভিতৰত আবেদন কৰিবলৈ সংবাদমেলত আহ্বান জনায়। ইয়াৰ পাছত অত্যন্ত জৰুৰী হ'লে সাধাৰণ লোকে জিলা আয়ুক্তৰ অনুমতি সাপেক্ষেহে আধাৰকাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব বুলি তেওঁ কয়। ৰাজ্যত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশ ৰোধ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। কোনো অনুপ্ৰৱেশকাৰীয়ে অসমত আধাৰকাৰ্ডৰ সুবিধা লৈ যাতে ভাৰতীয় নাগৰিক হ'ব নোৱাৰে তাৰ বাবে অসম মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে।

oooo

মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাৰকাৰী ৰিণ্টু শৰ্মাক ধেমাজিৰ জিলা আৰু ছেছন আদালতে মৃত্যু দণ্ডৰ ৰায় প্ৰদান কৰাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজ আনন্দিত হৈছে। মহাবিদ্যালয়খনত আজি সন্ধিয়াৰ ভাগত ছাত্ৰ একতা সভাই নন্দিতা শইকীয়াক সুঁৱৰি এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। নন্দিতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ছাত্ৰগৰাকীৰ আত্মাৰ সদগতি কামনা কৰে।

আমাৰ আগত বাতৰিতে কোৱা হৈছে যে, ধেমাজিৰ জিলা আৰু ছেছন আদালতে আজি মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাৰ গোচৰত অপৰাধী ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰে দণ্ডিত কৰে। মুঠ ৪১ জন লোকৰ সাক্ষ্যৰ ভিত্তিত ৪ বছৰজোৰা বিচাৰৰ অন্তত জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াই কালি অভিযুক্ত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰে। আজি আদালতে দোষীৰ শাস্তি ঘোষণা কৰে। উল্লেখযোগ্য যে ৰিণ্টু শৰ্মাই ২০২১ চনৰ ২১ আগষ্টত পৰিকল্পিতভাৱে নন্দিতা শইকীয়াক আক্ৰমণ কৰিছিল। পৰৱৰ্তী সময়ত ধেমাজি আৰক্ষীয়ে এই গোচৰ সন্দৰ্ভত ৰিণ্টু শৰ্মাৰ বিৰুদ্ধে ৪০০ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। আদালতে ভাৰতীয় দণ্ডবিধিৰ ৩০২, ৩০৭, ৩২৬ আৰু ৩৪৭ নম্বৰ ধাৰাত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰে দণ্ডিত কৰে।

০০০০

তেজপুৰস্থিত শোণিতপুৰ জিলা আদালত প্ৰাঙ্গনত অহা ১৩ ছেপ্তেম্বৰত বিশেষ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আয়োজিত এই লোক আদালতত মটৰ দুৰ্ঘটনা গোচৰ, দেৱানী গোচৰ, যান-বাহন আৰু আবকাৰি গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰৰ উপৰি বকেয়া ধন, ভূমি অধিগ্ৰহণ, ১০৭ নম্বৰ ধাৰা, বেংক ঋণ, বি এচ এন এল, বিদ্যুৎ বিল, শ্ৰমিক সম্পৰ্কীয় আইনী ব্যৱস্থাৰ মাজলৈ নোযোৱাকৈ মীমাংসা কৰিব পৰা গোচৰ নিষ্পত্তি কৰা হ'ব। প্ৰাধিকৰণে লোক আদালতত অংশগ্ৰহণ কৰিবলৈ জিলাবাসীক আহ্বান জনাইছে।

০০০০

বাক্সা জিলাৰ কমলাবাৰীত আজি বাথৌ ধৰ্মগুৰুৰ সৈতে বি টি আৰৰ শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰীয়ে মত বিনিময় কৰে। মত বিনিময় কৰি পাৰিষদ জয় মুছাহাৰীয়ে সমাগত বি টি আৰৰ নিৰ্বাচনত ইউ পি পি এল দলৰ জয়লাভৰ কামনাৰে বাথৌ ধৰ্মগুৰুসকলৰ আশীষ বিচাৰে। আজিৰ এই কাৰ্যসূচীত শতাধিক বাথৌ ধৰ্মগুৰুৱে অংশগ্ৰহণ কৰে।

০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত মিলন নগৰৰ বি এছ এন এলৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজ সেৱক ভূবন দুৱৰাৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বৃক্ক ৰোগত আক্ৰান্ত দুৱৰাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৪ বছৰ। ভূবন দুৱৰাৰ মৃত্যুত ডিব্ৰুগড়ৰ পশ্চিম মিলননগৰ নামঘৰ তথা স্থানীয় ৰাইজৰ লগতে বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ